# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৮ চেপ্তেম্বৰ ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদাসম্পন্ন বদৰী চাহাবা হজৰত বিলাল বিন ৰুবাহ (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী আৰু ঈমান উদ্দীপক ঘটনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, বদৰী চাহাবা সকলৰ মাজত হজৰত বিলাল (ৰাঃ)ৰ জীৱনী সম্পৰ্কে আলোচনা (বৰ্ণনা) চলি আছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে খয়বৰৰ যুদ্ধৰ পৰা ওভতি যাত্ৰা আৰম্ভ কৰিছিল তেতিয়া গোটেই ৰাতি খোজ কাঢ়িছিল। আকৌ যেতিয়া তেখেত (ৰাঃ)ৰ টোপনি ধৰিছিল তেতিয়া আৰাম কৰিবলৈ বাগৰ দিছিল আৰু হজৰত বিলাল (ৰাঃ)ক কৈছিল যে, ফজৰৰ সময়ত তুমি মোক জগাই দিবা। তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে যিমানখিনি তাৰ সক্ষম হৈছিল নফল নামাজ পঢ়ি থাকিছিল আৰু ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলে টোপনি গৈছিল। এনেতে যেতিয়া ফজৰৰ সময় ওচৰ চাপি আহিছিল তেতিয়া বিলাল (ৰাঃ)য়েও টোপনি আহিছিল । গতিকে সেই ফজৰৰ সময়ত বিলাল (ৰাঃ)য়ে সাৰ পোৱা নাছিল আনকি তেখেত (ছাঃ)ৰ চাহাবা সকলৰ মাজতও কোনেও টোপনিৰ পৰা সাৰ পোৱা নাছিল। এনেকি বেলি ইমানলৈ উঠি গৈছিল যে, ৰদ আহি তেওঁলোকৰ গাত পৰিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে এওঁলোকৰ ভিতৰত সকলোৰে আগত সাৰ পাই উঠিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে বৰ চিন্তিত হৈ মাত দিছিল হে বিলাল, হে বিলাল! হজৰত বিলাল (ৰাঃ)য়ে কৈছিল,ইয়া ৰছুলুল্লাহ, মোৰ মাতা-পিতা আপোনাতে উৎসৰ্গ হওঁক, টোপনিৰ জোৰে মোৰ চকু ছানি ধৰিছিল। তেতিয়া তেখেত (ছাঃ)য়ে সকলোকে নিৰ্দেশ দিছিল যাত্ৰা আৰম্ভ কৰিবলৈ আৰু তেওঁলোকে নিজৰ নিজৰ বাহন কিছু দূৰলৈ আগুৱাইছিল। এনেতে আকৌ ৰছুলুল্লাহ (ছাঃ) য়ে সকলোকে ৰবলৈ দি তাতে বেলি উদয় হোৱা অৱস্থাত ফজৰৰ নমাজ পঢ়াইছিল। যেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে যিজনে নমাজ সময়ত পঢ়িবলৈ পাহৰি যায়, তাৰ বাবে উচিত যে যেতিয়া মনত পৰে তেতিয়া যেন সেয়া তেওঁ পঢ়ি লয় কাৰণ আল্লাহ তা'লা কৈছে যে, নমাজ মোৰ স্মৰণৰ নিমিত্তে প্ৰতিষ্ঠিত কৰা।

মক্কা বিজয়ৰ দিনা ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া খানা কাবাত প্ৰৱেশ কৰে তেতিয়া তেখেত (ছাঃ)ৰ লগত হজৰত বিলাল (ৰাঃ)য়েও আছিল। হজৰত ইবনে উমৰ (ৰাঃ)য়ে কৈছে যে, মই হজৰত বিলাল (ৰাঃ)ক সুধিছিলো যে, ৰছুলে কৰীম (ছাঃ)য়ে কাবাত নামাজ পঢ়িছেনে ? তেখেত (ৰাঃ)য়ে উত্তৰ দিছিল হয়,পঢ়িছে। মই সুধিলো কোন ঠাইত পঢ়িছে ? তেখেত (ৰাঃ)য়ে উত্তৰত কৈছিল, সেই খুঁটি দুটাৰ মাজত। হজৰত বিলাল (ৰাঃ)য়ে পিছলৈ লোকক কৈছিল, ৰছুলুল্লাহ (ছাঃ)য়ে খানা কাবাৰ ভিতৰত কোন ঠাইত থিয় হৈ নামাজ পঢ়িছিল ? হজৰত ইবনে

আবি মুলায়কাৰ পৰা বৰ্ণিত আছে যে, মক্কা বিজয়ৰ দিনা ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক কাবা ঘৰৰ চালত উঠি (কাবাৰ আচ্ছাদানৰ উপৰত উঠি) আজান দিবলৈ নিৰ্দেশ দিয়ে আৰু হজৰত বিলাল (ৰাঃ)য়ে কাবাৰ আচ্ছাদানত উঠি আজান দিছিল।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে মক্কা বিজয়ৰ ঘটনাত হজৰত বিলাল (ৰাঃ)ৰ ভূমিকা সম্পৰ্কে বৰ্ণাওতে কৈছে যে, এই ঘটনাৰ মাজত আটাইতকৈ মৰ্যাদা সম্পন্ন গুৰুত্বপূৰ্ণ বিষয় হ'ল হজৰত বিলাল (ৰাঃ)ৰ পতাকা। ৰছুলে কৰীম(ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ৰ পতাকা বনাইছিল আৰু কৈছিল যে, যিজন ব্যক্তিয়ে বিলালৰ পতাকাৰ তলত আহি থিয় হ'ব তাক আশ্ৰয় দিয়া হ'ব। এই আদেশত কিমান যে সূক্ষ্ম তত্ত্ব লুকাই আছিল। মক্কাৰ লোকে হজৰত বিলাল (ৰাঃ)ৰ ভৰিত ৰছী লগাই তেখেতক গলি গলিত চোঁচৰাই লৈ ফুৰিছিল। মক্কাৰ আটে-বাটে মক্কাৰ ভূমি হজৰত বিলালৰ বাবে শান্তি নিৰাপত্তাৰ ঠাই নাছিল। বৰং এই ঠাই হৈ পৰিছিল তেখেতৰ বাবে শাস্তি,অপমান আৰু বিদ্ৰূপৰ ঠাই। হজৰত ৰছুলে কৰীম (ছাঃ)য়ে ধাৰণা কৰিছিল যে, আজি বিলালৰ হৃদয় প্ৰতিশোধ লোৱাৰ ফালে বাৰে বাৰে ঢাল খাব, মোৰ এই বিশ্বাসী লগৰীয়ায় প্ৰতিশোধ লোৱাৰও অত্যন্ত প্ৰয়োজন আছে কিন্তু এয়াও জৰুৰী যে, আমাৰ প্ৰতিশোধ লোৱা পদ্ধতি যেন ইছলামৰ মৰ্যাদা সাপেক্ষে হয়। গতিকে আঁ-হজৰত (ছাঃ)য়ে বিলালৰ হৈ এনেদৰে প্ৰতিশোধ লোৱা নাছিল যে, তৰোৱালেৰে তাৰ ডিঙি কাটি পেলোৱা হয়। বৰং তেখেতৰ ভায়েকৰ হাতত এখন পতাকা তুলি দি থিয় কৰাইছিল আৰু বিলাল (ৰাঃ)ক এই উদ্দেশ্যে নিযুক্ত কৰিছিল যে, এখেতে  যেন ঘোষণা কৰে যে, যিজনে মোৰ ভায়েকৰ পতাকাৰ তলত আহি আশ্ৰয় ল'ব,তাক নিৰাপত্তা দিয়া হ'ব। এয়া কিমান যে সুন্দৰ প্ৰতিশোধ লোৱাৰ ব্যৱস্থা আছিল, যেতিয়া হজৰত বিলাল (ৰাঃ)য়ে উচ্চস্বৰে এয়া ঘোষণা কৰিছিল যে, হে  মক্কাৰ বাসিন্দাসকল! আহা মোৰ ভায়েকৰ পতাকাৰ তলত আহি থিয় হোৱা, তোমালোকক নিৰাপত্তা দিয়া হ'ব, তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে নিশ্চয় উপলব্ধি কৰিছিল যে, যি ব্যৱস্থা মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে মোৰ হৈ প্ৰতিশোধ লোৱাৰ বাবে গ্ৰহণ কৰিছে ইয়াতকৈ সুন্দৰ প্ৰতিশোধৰ ব্যৱস্থাপনা মোৰ বাবে কিবা আৰু বেলেগ উপায় হ'ব নোৱাৰে।

হজৰত আব্দুল্লাহ বিন উমৰৰ পৰা বৰ্ণিত আছে যে, ঈদৰ দিনাখন হজৰত বিলাল (ৰাঃ)য়ে এখন শূল হাতত লৈ ৰছুলুল্লাহ (ছাঃ)ৰ আগে আগে গৈ থাকিছিল আৰু সেয়া গন্তব্য স্থানত গৈ আঁ-হজৰত (ছাঃ)ৰ সন্মুখত মাটিত পুতি দিছিল আৰু তেখেত (ছাঃ)য়ে সেই ফালে নমাজ পঢ়িছিল। ৰছুলুল্লাহ (ছাঃ)ৰ দেহাৱসানৰ পিছত হজৰত বিলাল (ৰাঃ)য়ে ঠিক এইদৰেই শূলখন হাতত লৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ আগে আগে যোৱা কৰিছিল।

মুছা বিন মহম্মদ নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে, ৰছুলে কৰীম (ছাঃ)ৰ মৃত্যু হোৱা দিনাখনও হজৰত বিলাল (ৰাঃ) য়ে আজান দিছিল আৰু তেতিয়াও ৰছুলুল্লাহ (ছাঃ)ৰ দফন কাৰ্য্য হোৱা নাছিল। যেতিয়া এখেত (ৰাঃ)য়ে আশ্বহাদু আন্না মুহম্মাদাৰ ৰাছুলুল্লাহ বাক্যটো উচ্চাৰণ কৰিছিল তেতিয়া মছজিদত লোকৰ কান্দোনৰ ৰোল উঠিছিল যাৰ ফলত লোকৰ শ্বাস ৰুদ্ধ হৈ পৰিছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)ক সমাধিস্থ কৰা শেষ হৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে উত্তৰত বিলাল (ৰাঃ)ক আজান দিবলৈ কৈছিল। হজৰত বিলাল (ৰাঃ)য়ে উত্তৰত কৈছিল, আপুনি যদি মোক আল্লাহ তা'লাৰ নিমিত্তে মুক্ত কৰি দিছিলে,তেন্তে মোক তাৰ বাবেই এৰি দিয়ক,যাৰ নিমিত্তে আপুনি মোক স্বাধীন কৰি দিছে,তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় যে,মই তোমাক আল্লাহৰ ওৱাস্তেই মুক্ত কৰিছোঁ। এয়া শুনি হজৰত বিলাল (ৰাঃ) য়ে কৈছিল যে, মই ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত অৰ্থাৎ এতিয়া কাৰো নিমিত্তে আজান নিদিওঁ। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল, সেয়া আপোনাৰ

ইচ্ছা। ইয়াৰ পিছত হজৰত বিলাল (ৰাঃ)য়ে কেইটামান বছৰ মদিনাত আছিল। কিন্তু যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত শ্বামলৈ (ছিৰিয়া)সৈন্যদল যাত্ৰা কৰিছিল তেতিয়া হজৰত বিলাল (ৰাঃ)য়েও সেই সৈন্যদলৰ সৈতে ছিৰিয়ালৈ গুচি গৈছিল।

উছদুলগাবাৰ এটা বৰ্ণনা অনুযায়ী হজৰত বিলাল (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিল যে, আপুনি যদি মোক আপোনাৰ নিমিত্তে মুক্ত কৰিছে তেন্তে আপুনি মোক আপোনাৰ ওচৰত ৰাখক। কিন্তু আপুনি যদি মোক আল্লাহ তা'লাৰ বাটত স্বাধীন কৰিছে তেন্তে মোক আল্লাহৰ বাটত জিহাদ কৰিবলৈ যাব দিয়ক। এই কথা শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক কৈছিল তেন্তে যোৱাগৈ। তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে শ্বামলৈ (ছিৰিয়া) গুচি গৈছিল আৰু মৃত্যুৰ সময়লৈকে তাতেই আছিল। কিন্তু বেছি ভাগ বৰ্ণনাত উল্লেখ আছে যে, এই ঘটনা হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালৰ ঘটনা নহয় বৰং হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত হজৰত বিলাল (ৰাঃ) ছিৰিয়ালৈ গুচি গৈছিল। আন এটা বৰ্ণনা অনুযায়ী হজৰত বিলাল (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছতো হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত মছজিদত আজান দি থাকিছিল।

আন এটা বৰ্ণনাত উল্লেখ আছে যে, এবাৰ হজৰত বিলাল (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ক দেখা পায় যে, তেখেত (ছাঃ)য়ে কৈ আছে হে বিলাল, এয়া কেনেকুৱা নিৰ্দয় কঠোৰতা কিয়! এতিয়াও সময় হোৱা নাই নে যে তুমি মোৰ জিয়াৰতৰ বাবে আহা। হজৰত বিলাল (ৰাঃ)য়ে বৰ দুখিত অৱস্থাত টোপনিৰ পৰা সাৰ পাইছিল। হজৰত বিলাল (ৰাঃ)য়ে তেতিয়া ছিৰিয়াত আছিল আৰু লগে লগে বাহনত উঠি মদিনালৈ যাত্ৰা  কৰিছিল। হজৰত বিলাল (ৰাঃ)য়ে নবী কৰীম (ছাঃ)ৰ ৰওজা (সমাধি) মোবাৰকত উপস্থিত হৈ বিগলিত হৃদয়ে কান্দি নয়ন যুগল অশ্ৰু সিক্ত কৰিছিল আৰু বৰ বিষন্ন হৈ পৰিছিল। এনেতে হজৰত হাচান আৰু হুছেন তাত গৈ উপস্থিত হৈছিল।  হজৰত বিলাল (ৰাঃ)য়ে এওঁলোক দুজনক চুমা খাই বুকুত সাবটি লৈছিল। হজৰত হুছেন (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক কৈছিল যে, আমি আশা কৰো যে, ফজৰত আজান আপুনি দিব। হজৰত বিলাল (ৰাঃ)য়ে যেতিয়া ঘৰৰ আচ্ছাদানত (চালত) উঠি আল্লাহ আকবৰ, আল্লাহ আকবৰ,ধ্বনি উচ্চাৰণ কৰিছিল। ৰাৱী কৈছে,তেতিয়া মদিনা কপি উঠিছিল। আকৌ যেতিয়া আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু উচ্চাৰণ কৰিছিল তেতিয়া আৰু বেছি কপনি উঠিছিল আৰু মদিনাৰ সকলো লোক উচপ খাই সাৰ পাই উঠিছিল। আকৌ যেতিয়া এখেত (ৰাঃ)য়ে আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছুলুল্লাহ ধ্বনি উচ্চাৰণ কৰিছিল, তেতিয়া মহিলা সকলে নিজৰ কোঠালিৰ পৰা বাহিৰলৈ ওলাই আহিছিল।

বৰ্ণনাকাৰীয়ে কৈছে যে, সেই দিনাতকৈ বেছি কান্দোনত ভাঙি পৰা নাৰী-পুৰুষ ইয়াৰ আগত দেখা নগৈছিল। হজৰত বিলাল (ৰাঃ)ৰ আজানে আঁ-হজৰত (ছাঃ)ৰ স্মৃতি পূৰ্ণ সময় মনত পেলাই দিছিল,যাৰ ফলত মদিনাৰ লোক ব্যাকুল হৈ পৰিছিল।

জায়েদ বিন আছলাম বৰ্ণনা কৰিছে যে, বনু আবু বকিৰ হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহি কৈছিল যে, অমুক ব্যক্তিৰ সৈতে ভনী জনীৰ বিয়া দি দিয়ক। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সুধিছিল যে, বিলাল সম্পৰ্কে তোমাৰ কি মতামত ? উক্ত লোকজনে দ্বিতীয়বাৰ আকৌ আঁ-হজৰত (ছাঃ)ক খাটনি ধৰে যে,ইয়া ৰছুলুল্লাহ (ছাঃ) অমুকৰ সৈতে মোৰ ভনীৰ বিয়া পাতি দিয়ক। এইবাৰও তেখেত (ছাঃ)য়ে কৈছিল বিলাল সম্পৰ্কে তোমালোকৰ মতামত কি ?এনেকুৱা এজন লোক সম্পৰ্কে তোমালোকৰ অভিমত কি যিজন জান্নাতৰ বাসিন্দাৰ মাজত এজন হয়। ৰাৱী কৈছে যে,এই কথা অনুযায়ী তেওঁলোকে হজৰত বিলাল (ৰাঃ)ৰ সৈতে নিজৰ ভনীয়েকক বিয়া দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ৰ মৰ্যাদা আৰু স্থান সম্পৰ্কে উল্লেখ কৰোঁতে কয় যে,হজৰত উমৰ (ৰাঃ)য়ে নিজৰ খিলাফৎ কালত এবাৰ মক্কালৈ আহিছিল তেতিয়া সেই কৃতদাস সকল যিসকলক মানুহে মূৰৰ চুলিত ধৰি মাটিত চোঁচৰাই ফুৰিছিল, এজন এজনকৈ হজৰত উমৰ (ৰাঃ)ক সাক্ষাৎ কৰিবলৈ অহা আৰম্ভ কৰে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে সম্ভ্রান্ত লোক সকলক নিৰ্দেশ দিছিল যে, আপোনালোকে পিছুৱাই গৈ তেওঁলোকক বহিবলৈ ঠাই দিয়ক। যেতিয়া সেই কৃতদাস চাহাবা সকলে আহি কোঠালিখন ভৰি পৰিছিল তেতিয়া সেই সম্ভ্রান্ত লোক সকলে বাধ্য হৈ জুতা ৰাখি থোৱা ঠাইত গৈ বহিব লগা হৈছিল; এই অপমান সম্ভ্রান্ত লোকসকলে সহ্য কৰিব নোৱাৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, গতিকে কথা হ'ল এয়া যে,কুৰবাণী দিব লগা হয় তেন্তে উচ্চ স্থান লাভ কৰিব পৰা যায় আৰু ইছলামৰ এয়া এটা সুন্দৰ শিক্ষা যে, যিজন প্ৰথমৰে পৰাই বিশ্বাস,আনুগত্য প্ৰদৰ্শন কৰে, তাৰ মান আৰু মৰ্যাদা উচ্চ থাকে, হ'ব পাৰে তেওঁ হাবশী গোলাম অথবা অইন কোনো বংশৰ কৃতদাস। এয়া হ'ল সেই মৰ্যাদা যি ইছলামে নিজৰ বৈশিষ্ট ৰাখিছে আৰু প্ৰত্যেকেই যিজন কোৰবাণী কৰোঁতা হ'ব, আনুগত্য প্ৰদৰ্শনকাৰী হ'ব, তেওঁ নিশ্চয় মৰ্যাদা লাভ কৰিব। হজৰত বিলাল (ৰাঃ)ৰ বিষয়ে বাকী থকা বৰ্ণনা আগলৈ চলিব। ইনশা আল্লাহ-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**KHULASA KHUTBA JUMA HAZOOR ANWAR (aba) 18 SEPTEMBER-2020**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**